**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম বিধানসভাত আজি বিত্তীয় বিধেয়ককে ধৰি অন্যান্য বিষয়ত আলোচনা অনুষ্ঠিত হৈছে। এই বিষয়ত সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ আব্দুল কালাম ৰছিদ আলম, ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ আৰু এ আই ইউ ডি এফৰ আশ্ৰাফুল হকক সদনৰ পৰা বহিষ্কাৰ কৰা হয়। প্ৰশ্নোত্তৰ কালৰ পাছত কংগ্ৰেছ আৰু এ আই ইউ ডি এফে মন্ত্ৰী অশোক সিংহলে সদনৰ বাহিৰত এটা বিশেষ জনগোষ্ঠীক লৈ আপত্তিজনক মন্তব্য কৰাক লৈ মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ উত্থাপন  কৰে। ইয়াৰ ফলত সদনৰ কাৰ্যক্ৰমণিকা কিছু সময়ৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। উপাধ্যক্ষ ড০ নোমল মমিনে এয়া সদনৰ ভিতৰৰ বিষয় নহয় বুলি মন্তব্য কৰে। এই কথাত এ আই ইউ ডি এফৰ বিধায়কসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত দলটোৰ বিধায়কসকলক উপাধ্যক্ষই ১০ মিনিটৰ বাবে সদনৰ পৰা নিলম্বন কৰে।

০০০০০০০০

ব্ৰহ্মপুত্ৰ, কুলশী আৰু সোৱণশিৰি নদীত মুঠ  ৬৩৫ টা শিহুৰ অৱস্থিতিৰে অসমে দেশৰ ভিতৰত চতুৰ্থ স্থান লাভ কৰিছে।  দেশৰ ৮খন ৰাজ্যৰ মাজেৰে যোৱা ২৮ খন নদীত চলোৱা এটা জৰীপ অনুসৰি মুঠ ৬ হেজাৰ ৩২৭ টা শিহুৰ অৱস্থিতিৰ তথ্য পোৱা গৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গুজৰাটৰ গীৰ ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ সপ্তম বৈঠকত অংশ লোৱাৰ সময়ত এই জৰীপ সম্পৰ্কীয় প্ৰতিবেদন মুকলি কৰে। দেশত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই জৰীপ ৮ হাজাৰ ৫০০ কিলোমিটাৰ নদীপথ সামৰি ৩ হাজাৰ ১৫০ টা কৰ্মদিনত সম্পূৰ্ণ কৰা হৈছে বুলি পৰিৱেশ মন্ত্ৰালয়ে এটা বিবৃতি যোগে প্ৰকাশ কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি ভৱনৰ প্ৰসিদ্ধ অমৃত উদ্যানত 'অসমৰ চাহ'ৰ এখন বিপনী স্থাপনৰ বাবে ৰাষ্ট্ৰপতিৰ সচিবালয়ে সৰভোগৰ বাসিন্দা প্ৰাঞ্জন কুমাৰ ৰয়ক আমন্ত্ৰণ জনাইছে। সমগ্ৰ দেশকে 'অসমৰ চাহ'ৰ প্ৰকৃত সোৱাদ দিয়াৰ উদ্দেশ্যেৰে যুৱ উদ্যমী প্ৰাঞ্জন কুমাৰ ৰয়ে 'ৰিভাৰ বেঁকী টি কোম্পানী'ৰ জৰিয়তে প্ৰচেষ্টা চলাই আহিছে। অভিযন্তা ৰয়ে কৰ্প'ৰেট জগতৰ চাকৰি ত্যাগ কৰি অসমৰ চাহৰ সোৱাদ দেশবাসীক দিয়াৰ উদ্দেশ্যেৰে বিভিন্ন অনুষ্ঠান, সমাৰোহ, সমাবেশ আদিৰ জৰিয়তে প্ৰচেষ্টা চলাই আহিছে। শ্ৰী ৰয়ে সদ্যসমাপ্ত মহাকুম্ভ মেলাৰ কলাগ্ৰামতো কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰালয়ৰ অনুৰোধত চাহৰ বিপণী দি সমাদৃত হৈছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰাঞ্জন কুমাৰ ৰয়ৰ বিষয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰি যুৱকজনৰ এই প্ৰচেষ্টা আৰু সাফল্য ৰাজ্যখনৰ বাবে আশাব্যঞ্জক বুলি প্ৰকাশ কৰিছে।

০০০০০০০০

ছত্তিশগড়ৰ পণ্ডিত ৰবিশংকৰ শুক্লা বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠা কৰা হ'ব বুলি ৰাজ্যখনৰ ৰাজ্যপাল তথা পূৰ্বৰ মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ ৰমেন ডেকাই

কালি গুৱাহাটীত এখন সংবাদমেলত প্ৰকাশ কৰিছে। ৰাজ্যপালগৰাকীয়ে সদৰি কৰা মতে ইয়াৰ বাবে ৰাজ্যখনৰ বাজেটত ২ কোটি টকা ধাৰ্য্য কৰা হৈছে। ছত্তিশগড়ৰ ৰাজ্যভাষাতে মহাপুৰুষ গুৰুজনাৰ সৃষ্টিৰাজিক লৈ শিক্ষাৰ্থীসকলে গৱেষণা কৰিব পাৰিব বুলি শ্ৰীডেকাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে গুৱাহাটীৰ উজানবজাৰৰ মহিলা ভাওনা দলে ছত্তিশগড়ত গুৰুজনাৰ অমৰ সৃষ্টি ভাওনা প্ৰদৰ্শন কৰিব। অসমত শীঘ্ৰে ছত্তিশগড় ভৱন নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীডেকাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ছত্তিশগড়তো অসম ভৱন স্থাপনৰ বাবে আহ্বান জনায়।

oooooooo

যোৰহাটৰ পৰা মাজুলী সংযোগী দলংখনৰ নিৰ্মাণ কাৰ্য ৩০ শতাংশৰো অধিক সম্পূৰ্ণ হৈছে আৰু এই দলংখনৰ বাবে এতিয়ালৈ প্ৰায় ২৮০ কোটি ৬৬ লাখ টকা ব্যয় কৰা হৈছে। লোকনিৰ্মাণ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি অসম বিধানসভাত বিধায়ক ভৰত চন্দ্ৰ নৰহৰ এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এই দলং নিৰ্মাণ প্ৰকল্পৰ বাবে ৯২৫ কোটি ৪৭ লাখ টকা ব্যয়ৰ অনুমোদন জনোৱা হৈছিল যদিও এতিয়া এই ব্যয়ৰ প্ৰস্তাৱিত পৰিমাণ সংশোধিত কৰি এহেজাৰ ২৭৯ কোটি ৮৮ লাখ টকালৈ বৃদ্ধিৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে ২০২১ চনৰ শেষৰ ফালে দলংখন নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল যদিও এই কাম মাজতে বন্ধ আছিল। যোৱা বছৰৰ ছেপ্তেম্বৰত দলংখনৰ কাম পুনৰ আৰম্ভ কৰা হয়।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা চলিত বৰ্ষৰ বাজেট সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন বৈঠকৰ আয়োজন কৰে। এই বৈঠকত গুৱাহাটীৰ চাৰিওফালে যাতায়াত ব্যৱস্থা উন্নত কৰাৰ বিষয়তো আলোচনা কৰা হয়। তদুপৰি গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে।

oooooooo

যোৰহাট জিলাৰ তিতাবৰৰ ডায়েটত আজিৰে পৰা শিশুৰ সৃজনশীল ক্ৰিয়াৰ দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছে। প্ৰথম এডুকেচন ফাউণ্ডেচনৰ উদ্যোগৰ অনুষ্ঠিত কৰ্মশালাত ৪০০ গৰাকী শিশুৱে অংশগ্ৰহণ কৰিছে। তিতাবৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ১০৫খন গাঁও সামৰি প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক এই কৰ্মশালাত সামৰি লোৱা হৈছে।

oooooooo

ডুবাইত আজি আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। গ্ৰুপ-এত থকা ভাৰতে ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰি আটাইকেইখন মেচত জয়লাভ কৰাৰ সুবাদত গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰিছে। নিউজিলেণ্ডে কাইলৈ লাহোৰত গ্ৰুপ-বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

oooooooo

সমাপ্ত